# 2018

## PHILOSOPHY

## ( General )

Paper : 6.2

**( Philosophy of Religion )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

*(a)* Is the philosophy of religion a part of philosophy?

ধৰ্মদৰ্শন দৰ্শনৰ এক অংশনে ?

*(b)* "The minimum definition of religion is a belief in spiritual being." Name the philosopher who stated this statement.

"ধৰ্মৰ ন্যূনতম সংজ্ঞা হৈছে আধ্যাত্মিক সত্তাত বিশ্বাস।" এই সংজ্ঞাটো আগবঢ়োৱা দাৰ্শনিকজনৰ নাম লিখা।

(c) Who was the main propounder of fetishism?

জড়পূজাবাদৰ মূল প্ৰৱৰ্তক কোন আছিল ?

(d) Who was the author of the work *Primitive Culture*?

'প্ৰিমিটিভ কালচাৰ' (*Primitive Culture*) নামৰ গ্ৰন্থখনৰ গ্ৰন্থকাৰ কোন আছিল ?

(e) Name the chief propounder of the psychological theory of the origin of religion.

ধৰ্মৰ উৎপত্তি-সম্পৰ্কীয় মনোবৈজ্ঞানিক তত্ত্বৰ প্ৰধান পৃষ্ঠপোষকগৰাকীৰ নাম লিখা।

(f) What do you mean by the term 'totem'?

'Totem' শব্দৰ অৰ্থ বুলিলে তুমি কি বুজা ?

(g) 'Mana' is a Greek / Latin / Melanesian term.

(Choose the correct answer)

'মানা' শব্দটো গ্ৰীক / লেটিন / মিলেনেছিয়ান শব্দ।

(শুদ্ধ উত্তৰটো বাচি উলিওৱা)

(h) _____ is the Indian synonym of religion.

(Fill in the blank)

Religion শব্দৰ ভাৰতীয় সমাৰ্থক শব্দটো হ'ল _____।

(খালী ঠাই পূৰ কৰা)





(i) Who is regarded as the propounder of the ontological argument for the existence of God?

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক তাত্ত্বিক বা সত্তামূলক যুক্তিৰ প্ৰৱৰ্তকৰূপে কাক গণ্য কৰা হয় ?

(j) The teleological argument for the existence of God is also known as _____.

(Fill in the blank)

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক উদ্দেশ্যমূলক যুক্তিক _____ বুলিও জনা যায়।

(খালী ঠাই পূৰ কৰা)

**2.** Answer the following question in brief : 2×5=10

নিম্নলিখিত প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Give a definition of religion.

ধৰ্মৰ এটা সংজ্ঞা দিয়া।

(b) Who was the author of the book, *The Melanesians*? Write the name of the theory of the origin of religion associated with the book.

*The Melanesians* গ্ৰন্থখন কোনে ৰচনা কৰিছিল ? ইয়াৰ লগত জড়িত ধৰ্মৰ উৎপত্তি তত্ত্বটোৰ নাম লিখা।

(c) Name two supporters of the teleological argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব প্ৰমাণৰ বাবে আগবঢ়োৱা উদ্দেশ্যমূলক যুক্তিৰ দুগৰাকী সমৰ্থকৰ নাম লিখা।

(d) What is the moral argument for the existence of God?

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক নৈতিক যুক্তিটো কি?

(e) Write two basic distinctions between religion and science.

ধৰ্ম আৰু বিজ্ঞানৰ মাজত থকা দুটা মৌলিক পাৰ্থক্য লিখা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Distinguish between religion and philosophy of religion.

ধৰ্ম আৰু ধৰ্মদৰ্শনৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(b) Describe the utility of studying Philosophy of religion.

ধৰ্মদৰ্শন অধ্যয়নৰ উপযোগিতা বৰ্ণনা কৰা।





(c) Is the Ghost-theory acceptable?

প্ৰেতাত্মা-সম্পৰ্কীয় মতবাদটো গ্ৰহণযোগ্যনে?

(d) Is there any difference between magic and religion?

যাদু আৰু ধৰ্মৰ মাজত পাৰ্থক্য আছেনে?

(e) What do you understand by the psychological theory of the origin of religion?

ধৰ্মৰ উৎপত্তি-সম্পৰ্কীয় মনস্তাত্ত্বিক মতবাদ বুলিলে কি বুজা?

(f) Examine the drawbacks of the moral argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক নৈতিক যুক্তিৰ ত্ৰুটীসমূহ সমীক্ষা কৰা।

**4.** Explain the nature and scope of Philosophy of religion. 10

ধৰ্মদৰ্শনৰ স্বৰূপ আৰু পৰিসৰ ব্যাখ্যা কৰা।

*Or/অথবা*

State and explain certain important features of religion.

ধৰ্মৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ব্যাখ্যা কৰা।

**5.** Explain the relation among philosophy, religion and science. 10

দৰ্শন, ধৰ্ম আৰু বিজ্ঞানৰ সম্বন্ধ ব্যাখ্যা কৰা।

*Or/অথবা*

What is religion? Explain the relation between religion and science.

ধৰ্ম বুলিলে কি বুজা? ধৰ্ম আৰু বিজ্ঞানৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

**6.** Explain and examine fetishism as a theory of the origin of religion. 10

ধৰ্মৰ উৎপত্তি-বিষয়ক মতবাদৰূপে জড়বাদৰ ব্যাখ্যা আৰু সমীক্ষা কৰা।

*Or/অথবা*

Explain and examine totemism as a theory of the origin of religion.

ধৰ্মৰ উৎপত্তি-বিষয়ক মতবাদৰূপে 'টোটেমবাদ' বা 'কুলচিহ্নবাদ'ৰ ব্যাখ্যা আৰু সমীক্ষা কৰা।

**7.** Explain and examine critically the ontological argument for the existence of God. 10

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক তাত্ত্বিক যুক্তিটো সমালোচনাৰে সৈতে ব্যাখ্যা আৰু বিচাৰ কৰা।





*Or/অথবা*

Explain and examine the Cosmological Argument for the existence of God.

ঈশ্বৰৰ অস্তিত্ব-বিষয়ক বিশ্বতত্ত্বমূলক যুক্তিৰ ব্যাখ্যা আৰু সমীক্ষা কৰা।

***